ৰাজ্যিক কাৰ্য্যালয়

# ভাৰতীয় জনতা যুৱ মৰ্চা ঃঃ অসম প্ৰদেশ

অটল বিহাৰী বাজপেয়ী ভৱন, হেঙেৰাবাৰী, গুৱাহাটী - ৩৬

---

প্ৰেছ বিজ্ঞপ্তি

## বিজেপিৰ সদস্য ভৰ্ত্তি অভিযানত অসমৰ যুৱ প্ৰজন্মৰ ব্যাপক সহাঁৰি
## যুৱ মৰ্চাৰ ব্যাপক আৰু ব্যতিক্ৰমী প্ৰচাৰ অভিযান

গুৱাহাটী, ২২ ডিচেম্বৰ ২০১৪ ঃ ভাৰতীয় জনতা পাৰ্টিৰ সমগ্ৰ দেশজুৰি চলি থকা সদস্যভৰ্ত্তি অভিযানৰ লগত অভিযানৰ লগত সংগতি ৰাখি আজি অসমৰ বিভিন্ন প্ৰান্তত ভাৰতীয় জনতা যুৱ মৰ্চা, অসম প্ৰদেশে এক ব্যাপক আৰু ব্যাতিক্ৰমী প্ৰচাৰ অভিযান চলায়। উল্লেখযোগ্য যে সমগ্ৰ ভাৰতবৰ্ষত ভাৰতীয় জনতা পাৰ্টিয়ে ১০ কোটি প্ৰাথমিক সদস্যভৰ্ত্তিৰ লক্ষ্যলৈ পৃথিবীৰ ভিতৰতে সৰ্ববৃহৎ ৰাজনৈতিক দল হিচাপে পৰিগণিত কৰিবৰ বাবে পূৰ্ণ প্ৰস্তুতি চলাইছে। অসমতো ভাৰতীয় জনতা পাৰ্টিয়ে মুঠ ২৫ লাখ সদস্য ভৰ্ত্তিৰ লক্ষ্য লৈছে আৰু ইয়াৰ ভিতৰত ভাৰতীয় জনতা যুৱ মৰ্চা, অসম প্ৰদেশে ৰাজ্যখনৰ ৫ লাখ যুৱক যুৱতীক সদস্য ভৰ্ত্তি কৰাৰ পদক্ষেপ লৈছে।

এই প্ৰচাৰ অভিযানৰ অংশ স্বৰূপে আজি যুৱ মৰ্চাৰ সদস্যসকলে অসমৰ বিভিন্ন জিলাৰ ৰাজহুৱা বাছ আস্থান আৰু ৰেলত যাত্ৰা কৰি যাত্ৰীসকলৰ মাজত বিজেপিৰ সদস্য হবৰ বাবে ব্যাপকভাৱে প্ৰচাৰ চলায়। অসমৰ প্ৰায়কেইখন জিলাতে আজি ভাৰতীয় জনতা যুৱ মৰ্চাৰ উদ্যোগত এনে কাৰ্য্যসূচী পালন কৰা হয়। গুৱাহাটীতো এই প্ৰচাৰ অভিযানৰ অংশ স্বৰূপে লখৰাৰ আন্তৰাষ্ট্ৰীয় বাছ আস্থান, জালুকবাৰী, শিলপুখুৰী, বেহৰগুৰিত আৰু গুৱাহাটী কৰ্মাছ কলেজৰ সন্মুখত যুৱ মৰ্চাৰ সদস্যসকলে ব্যাপকভাৱে সদস্য ভৰ্ত্তি অভিযানৰ কাৰ্য্যসূচী গ্ৰহণ কৰে। গুৱাহাটীৰ বিভিন্ন ঠাইত আজি যুৱ মৰ্চাৰ ৰাজ্যিক সভাপতি দিপ্লু ৰঞ্জন শৰ্মা উপস্থিত থাকি এই কাৰ্য্যসূচীৰ সফল ৰূপায়ণ কৰিবলৈ যুৱ মৰ্চাৰ সদস্যসকলক উৎসাহ যোগায়। আনহাতে যুৱ মৰ্চাই লখৰাৰ আই.এচ.বি.টি বাছ আস্থানত পালন কৰা এই কাৰ্য্যসূচীত ৰাজ্যিক সাধাৰণ সম্পাদক প্ৰণৱ লহকৰ, যুৱ মৰ্চাৰ জিলা সভাপতি পঙ্কজ বৰুৱাৰ লগতে যুৱ মৰ্চাৰ কেইবাগৰাকীও ৰাজ্যিক আৰু জিলা বিষয়ববীয়া উপস্থিত থাকে। আনহাতে আন এগৰাকী ৰাজ্যিক সাধাৰণ সম্পাদক অভিজিৎ নাথৰ নেতৃত্বত নগাঁও জিলাৰ যুৱ মৰ্চাৰ সদস্য সকলে নগাঁৱৰ পৰা জাগীৰোডলৈকে ৰেলত ভ্ৰমণ কৰি ৰেল যাত্ৰীসকলৰ মাজত ভাৰতীয় জনতা পাৰ্টিৰ সদস্য হবৰ বাবে ব্যাপক প্ৰচাৰ অভিযান চলায়। আজি বিজেপি যুৱ মৰ্চাৰ এই সদস্যভৰ্তি প্ৰচাৰ অভিযানৰ প্ৰতি সহাঁৰি জনাই আজি অসমৰ বিভিন্ন প্ৰান্তৰ বহু সংখ্যাক যুৱক-যুৱতীয়ে বিজেপিৰ সদস্যপদ গ্ৰহণ কৰে।

ভাৰতীয় জনতা যুৱ মৰ্চা, অসম প্ৰদেশৰ সভাপতি দিপ্লু ৰঞ্জন শৰ্মাই প্ৰকাশ কৰিছে যে, ইতিমধ্যে সমগ্ৰ অসমজুৰি ৰাজ্যখনৰ যুৱ প্ৰজন্ম আজি ভাৰতীয় জনতা পাৰ্টি আৰু নৰেন্দ্ৰ মোদীৰ শক্তিশালী নেতৃত্বৰ প্ৰতি ব্যাপক ভাৱে আকৰ্ষিত হৈছে। অসমৰ বিভিন্ন গ্ৰাম্য তথা নগৰ অঞ্চলকে ধৰি জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে এক বৃহৎ সংখ্যক যুৱক-যুৱতীয়ে দ্ৰুতগতিত ভাৰতীয় জনতা পাৰ্টিৰ আহ্বানৰ প্ৰতি সহাঁৰি জনায় দলৰ সদস্যপদ গ্ৰহণ কৰাটোৱেই অসমৰ যুৱ প্ৰজন্মৰ মাজত বিজেপি আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এই জনপ্ৰিয়তাকে পুণৰ প্ৰমাণ কৰিছে। বিজেপি যুৱ মৰ্চাই আগন্তুক দিনবোৰত অসমত ৫ লাখ সদস্যভৰ্তিৰ লক্ষ্য অতিক্ৰম কৰিব বুলি প্ৰকাশ কৰি যুৱ মৰ্চাৰ ৰাজ্যিক সভাপতি দিপ্লু ৰঞ্জন শৰ্মাই অনাগত দিনবোৰত অসমৰ যুৱ প্ৰজন্মক বিনামূলীয়া ১৮০০২৬৬২০২০ নম্বৰত মিছ কল দি বিজেপিৰ সদস্যহৈ গঠনমূলক ৰাজনীতি তথা ৰাষ্ট্ৰনিৰ্মানত জড়িত হবলৈ আহ্বান জনায়।

(উৎপল বড়া)

সহ-কাৰ্য্যক্ৰম প্ৰমুখ, যুৱ মৰ্চা, অসম প্ৰদেশ